# ডঃ যোগীৰাজ বসু স্মাৰক বক্তৃতামালা

একাদশ অধিবেশন

১০ ডিচেম্বৰ, ২০০৩ খ্রীঃ

বিষয়ঃ

# প্ৰাচীন ভাৰতীয় ঐতিহ্যঃ আধুনিক প্ৰাসঙ্গিকতা

প্ৰবক্তাঃ

## ডঃ অশোক কুমাৰ গোস্বামী

স্থানঃ

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

উদ্যোক্তাঃ

অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোট

ডিব্ৰুগড়

## ACKNOWLEDGEMENT

*The ACTA Unit of DHSK College, Dibrugarh has been trying to publish the prestigious Dr. Jogiraj Basu Memorial Lectures delivered by eminent scholars every year since 1985.*

*This present volume is the printed version of the 11th Dr. Jogiraj Basu Memorial Lecture delivered by Dr. Ashok Kumar Goswami, Visiting Professor of the Department of Sanskrit, Gauhati University and litterateur of repute, on the topic, "Prachin Bharatiya Aitijja: Adhunik Prasangikota. (Ancient Indian Tradition: Modern Relevance).*

*We are grateful to Dr. Goswami for providing us the manuscript to eanable us to publish this in printed volume. We also thank him for this. At this point, we also want to extend our gratitude to all those collegues and press workers, with whose co-operation and advice this volume of Dr. J. R. Basu memorial publication has come to reality.*

*N Mahela*
Secy. ACTA unit
DHSK College
Dibrugarh

*Dr. M. N. Goswami*
President ACTA unit
DHSK College
Dibrugarh

# ACKNOWLEDGEMENT

*The ACTA Unit of DHSK College, Dibrugarh has been trying to publish the prestigious Dr. Jogiraj Basu Memorial Lectures delivered by eminent scholars every year since 1985.*

*This present volume is the printed version of the 11th Dr. Jogiraj Basu Memorial Lecture delivered by Dr. Ashok Kumar Goswami, Visiting Professor of the Department of Sanskrit, Gauhati University and litterateur of repute, on the topic, "Prachin Bharatiya Aitijja: Adhunik Prasangikota. (Ancient Indian Tradition: Modern Relevance).*

*We are grateful to Dr. Goswami for providing us the manuscript to eanable us to publish this in printed volume. We also thank him for this. At this point, we also want to extend our gratitude to all those collegues and press workers, with whose co-operation and advice this volume of Dr. J. R. Basu memorial publication has come to reality.*

*N Mahela*
Secy. ACTA unit
DHSK College
Dibrugarh

*Dr. M. N. Goswami*
President ACTA unit
DHSK College
Dibrugarh

# *Dr. Jogiraj Basu*

## - A Resume -



**NAME**

DR. JOGIRAJ BASU

**DATE OF BIRTH**

29th Dec. 1911



## EDUCATION:

Graduate form Presidency College with Hons. in Sanskrit.

Gold Medalist - 1932.

M.A. in Sanskrit (Vedanta Studies) from Presidency College with highest marks and two Gold medals - 1934.

M.A. in Sanskrit (Veda Studies) - 1936.

M.A. in English from Calcutta University securing 2nd position - 1939.

## CAREER:

Joined Cotton College, Guwahati, in a temporary position.

Thereafter, Principal of the hostel 'TOL' of Biraj Ashram from 1934 to 1964.

Joined as Founder Principal of Dibrugarh College (renamed as D.H.S.K.) on 15th June, 1945 and continued in the same post till 1965.

Joined Guwahati University as Head of the Deptt. of Sanskrit in 1967 and retired in 1973.

Obtained Ph.D. from Jadavpur University in 1966, for "India of the age of Brahmanas (Middle Vedic Age)."

Delivered lectures in Germany, as a visiting professor in the Deptt. of Oriental studies, 1970.

Lectured at Oxford (England) and Sorborne (Paris) Universities, 1970.

**PUBLICATIONS:**

**ASSAMESE:**

| | | |
|---|---|---|
| i) | Zorathrushtra | 1966 |
| ii) | BedarParichay | 1972 |
| iii) | Vedanta Darsan aru Vaishnav Dharma | 1978 |

**BENGALI:**

| | | |
|---|---|---|
| i) | Zorathrushtra | 1966 |
| ii) | BedarParichay | 1972 |
| iii) | Upanishader Bhabadarsha 'O' Shadhana | 1978 |

**ENGLISH:**

| | | |
|---|---|---|
| i) | India of the age of the Brahmanas (Middle Vedic Age) | 1969 |
| ii) | Studies in the Vedic Culture | |



## Speakers of Dr. Jogiraj Basu Memorial Lecture

| | | |
|---|---|---|
| 1985 | : | Shri Jagneswar Sharma<br>Dr. Birendranath Dutta |
| 1986 | : | Dr. B. M. Das |
| 1989 | : | Dr. Mahendra Bora |
| 1990 | : | Dr. S. K. Dutta |
| 1992 | : | Shri Tafazzul Ali |
| 1994 | : | Shri Medini Mohan Choudhury |
| 1996 | : | Dr. Jayanta Madhab |
| 1998 | : | Dr. Dinesh Ch. Goswami |
| 2000 | : | Dr. Amaresh Datta |
| 2001 | : | Dr. Amitava Roy |
| 2003 | : | Dr. Ashok Kumar Goswami |

*Introducing*

## PROF. ASHOK KUMAR GOSWAMI

**Date of Birth**: May. 1938

**Place** : Dhapkata Satra, Jorhat

**Education** :
- (i) Matriculation (G.U.) in 1954
- (ii) I. A. (G.U.) in 1956
- (iii) B. A. (honours in Sanskrit) in 1959, 1st Class 1st (G.U)
- (iv) M.A. in Sanskrit(G.U.)in 1964, IstClass 1st.
- (v) Ph. D. (G. U) in 1969

**Career** :
- (i) Lecture in the Dept of Sanskrit, Gauhati University (1964 - 1981)
- (ii) Reader (1981 - 1990)
- (iii) Professor (1990-1998)
- (iv) Head of the Dept. of Sanskrit (1994-1997)
- (v) Retired in l998
- (vi) At present visiting Professor in the Dept. of Sanskrit, Gauwahti University.
  So far, 13 Scholars got Ph. D under Prof. Goswami's Supervision.

**Publication** :
- (i) Author of Four books
- (ii) Editor of eleven books
- (iii) More than 100 Research papers and articles published in various Journals/Magazine and newspaers etc.

**Awards** :
- (i) Honoured by Rashtriya Sanskrit Sansthan in 2000
- (ii) Prof. Goswami is the receipient of President's Certificate of honour , 2001. He received the certificate from the then president of India K. R. Narayana on August 15,2001

**Other Academic Involvement:**
- (i) Editor, *Asamiya Vismakash, Bharatiya Sahitya Khanda,* Published byAsom Sahitya Sabha.
- (ii) Central Vice President, Lok Bhasha Prasar Samiti (Bharat)
- (iii) Former Co-ordinator, IGNOU (Gauhati University Centre)
- (iv) Former Director-in~harge, Academic Staff College, Gauhati University.

**Foreign Trip:**
- (i) Participated in the 8th World Sanskrit Conference held at Viena (Autria)
- (ii) Visited for academic purposes a number of institutions in Paris (France).



# প্ৰাচীন ভাৰতীয় ঐতিহ্যঃ আধুনিক প্ৰাসংগিকতা

আমাৰ সুবিশাল দেশ ভাৰতবৰ্ষ অতি সমৃদ্ধ আৰু বৰ্ণিল ঐতিহ্যৰে মহিমামণ্ডিত। এখন দেশ বা সমাজৰ ইতিহাসত পৰম্পৰাই কঢ়িয়াই অনা বা ননা, অতীতৰ সুনীতি, সুঘটনা আৰু সুবচনসমূহে ঐতিহ্যৰূপে অভিহিত হৈ উত্তৰ প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰে। ভাৰতীয় ঐতিহ্যৰ এক পৰিপূৰ্ণ ধাৰণাৰ বাবে বিভিন্ন ৰূপ আৰু স্তৰত থকা দেশখনৰ প্ৰাচীন সংস্কৃতি আৰু সভ্যতাৰ প্ৰতি অন্তৰ্দৃষ্টিৰ প্ৰয়োজন। ত্ৰিছৰ পৰা চল্লিছটা শতকৰ বা ততোধিক কালৰ ভিতৰত পুঞ্জীভূত হোৱা দেশখনৰ পৰম্পৰাক বিভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰিব পাৰি, যেনে সামাজিক, ৰাজনৈতিক, ঐতিহাসিক, ধৰ্মীয়, দাৰ্শনিক, সাংস্কৃতিক আৰু আধ্যাত্মিক। এনে অধ্যয়নৰ দ্বাৰা ঐতিহ্য ৰূপ মুকুতা বুটলি আমি কামত লগাব পাৰোঁ। আধুনিক (অধুনা মানে এতিয়া, সেয়ে আধুনিক বুলি আমি সাম্প্ৰতিক কালক বুজিব পাৰোঁ) তথা সাম্প্ৰতিক কালৰ বিভিন্ন সমস্যা আৰু আহুকলীয়া পৰিস্থিতিত আমি ভাৰতীয় ঐতিহ্যৰ জ্ঞানেৰে উপকৃত হব পাৰোঁ। কিন্তু ঐতিহ্যৰ শিক্ষা লবৰ কালত আমি মুক্ত মনেৰে আৰু আধুনিক প্ৰয়োজনৰ প্ৰতি দৃষ্টিদানেৰে অতীতলৈ চকু দিব পাৰিব লাগিব। এইখিনিতে কৈ থব লাগিব যে সংস্কৃত ভাষাত লিপিবদ্ধ সাহিত্যৰাশিয়েই ভাৰতীয় ঐতিহ্যৰ প্ৰধান মাধ্যম। অবিশ্বাস্যভাৱে আশ্চৰ্য্যজনক কাব্যিক সৌন্দৰ্যৰ বাবেই নহয়, বিচিত্ৰ জ্ঞানৰ, বিশেষকৈ মহান দাৰ্শনিক জ্ঞানৰাশিৰ বিশাল আধাৰৰূপে সংস্কৃত ভাষাক সমগ্ৰ বিশ্বই জানে। সেয়েহে ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে সংস্কৃতকে আমাৰ ঐতিহ্যৰ পৰা পোৱা মহত্তম সম্পদ বুলি অভিহিত কৰি গৈছে। আমাৰ সমাজখনে সন্মুখীন হোৱা সমস্যা আৰু পৰিস্থিতিবিলাকৰ বহুকেইটাৰে সমাধান তথা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সংস্কৃত সাহিত্যৰ জ্ঞান সহায়ক হব পাৰে।

সময়ৰ সীমাবদ্ধতাৰ বাবে সীমিতভাৱে উপস্থাপ্য এই স্মাৰক ভাষণটিত ভাৰতীয় ঐতিহ্যৰ গৰ্ভীভূত সকলো প্ৰাসঙ্গিক উপাদান বা অংশ উপস্থাপন কৰাটো সম্ভৱ নহয়, সেয়ে মান্য শ্ৰোতৃসমাজৰ দৃষ্টি আকৰ্ষণৰ উদ্দেশ্যে ভাৰতীয় ঐতিহ্যৰ শিক্ষাপ্ৰদ আৰু শুভংকৰ চৰিত্ৰটিত আলোকপাত কৰিব পৰাকৈ, সাম্প্ৰতিক সমাজৰ প্ৰয়োজনলৈও চকু ৰাখি কেইটিমান মন্তব্য আগবঢ়াইছোঁ।

ভাৰতীয় জণগণৰ জীৱন আৰু সংস্কৃতিত ঐতিহ্যৰ যৌক্তিক (rational) দিশটোৱে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আহিছে। বৈদিক চিন্তাৰ উচ্চতৰ দৃষ্টিভঙ্গীয়ে, বুদ্ধ, মহাবীৰ আৰু মহাৰাজ অশোকেও আমাক শ্ৰেণীবিহীন সমাজ গঢ়িবলৈ শিকাই গ'ল, যি সমাজত নিজা নিজা সামাজিক স্থিতি যিয়েই নহওক, সকলো পুৰুষ আৰু নাৰীয়েই একেধৰণৰ ব্যৱহাৰ লাভ কৰিব পাৰে। ৱল্লুৱৰ (তামিল), ৱেমন (তেলুগু), বসব (কানাড়া), কবীৰ, ৰাজা ৰামমোহন ৰায় আৰু সিদিনা মহাত্মা গান্ধীয়েও মানৱীয় মৰ্যাদাৰ স্বাৰ্থত সামাজিক সমতা আৰু পাৰস্পৰিক সন্মানবোধত গুৰুত্ব আৰোপ কৰি গৈছে। এই শিক্ষা অতীতৰে শিক্ষা। চাৰি বেদৰ চাৰি মহাবাক্যসমূহতে এই মানৱীয় মৰ্যাদা প্ৰতিপাদিত হৈছে। স্বামী বিবেকানন্দ, শ্ৰীমন্ত শঙ্কৰদেৱ, পণ্ডিত জৱাহৰলাল নেহৰুকে ধৰি মহান ভাৰতীয়সকলে এই ঐতিহ্যক সাৱোগত কৰি মানৱ মৰ্যাদাৰ ভিত্তিত ভাৰতীয় সমাজৰ পুনৰ্গঠনৰ হকে অহোপুৰুষাৰ্থ কৰি গৈছে। কিন্তু সম্প্ৰতি ভাৰততে নহয়, সমগ্ৰ বিশ্বজুৰি মানৱ মৰ্যাদা বিনষ্ট হৈছে। মানৱ সমাজতে মানৱৰ নিঃশঙ্ক বিচৰণ অসম্ভৱ হৈ পৰিছে। মানৱক লৈ মানৱ আজি শঙ্কাগ্ৰস্ত, ফলত মানৱ ঐক্য ব্যাহত হৈছে, মানৱ সভ্যতা হৈছে বিপদাপন্ন। সেয়ে আমি সঙ্ঘবদ্ধ প্ৰচেষ্টাৰে মানৱ মৰ্যাদা তথা ঐক্যৰ সমুদ্ধাৰৰ বাবে সচেষ্ট হব লাগিব। ঐতিহ্যই দিব আমাক প্ৰেৰণা আৰু নিৰ্দেশনা। মহাকাব্য মহাভাৰতত সুন্দৰকৈ আৰু সজোৰে এই মানৱীয় মৰ্যাদা ধ্বনিত হৈছে। মহাভাৰতে ঘোষণা কৰি গৈছে : "ন মানুষাৎ শ্ৰেষ্ঠতৰং হি কিঞ্চিৎ" (মানুহতকৈ শ্ৰেষ্ঠতৰ আৰু একো নাই)। মহাভাৰতৰ এই মহান বাণী পৰৱৰ্ত্তীকালত আকৌ পুনৰ্ধ্বনিত হ'ল কবি চণ্ডীদাসৰ মুখত : "বাৰো উপৰে মানুষ সত্য"।

আধুনিক ভাৰতে ভুগিবলগীয়া হোৱা এক বিশেষ সমস্যা হৈছে বিভিন্ন সংস্কৃতিৰ মাজত ঘটা বিৰোধ। স্থানীয়ভাৱে, আঞ্চলিকভাৱে বা সমগ্ৰ দেশতে সিঁচৰতি হৈ থকা ধৰ্মীয়, ভাষিক, কলাগত সংস্কৃতিসমূহৰ মাজত সংঘৰ্ষৰ বাতৰি নিত্য নৈমিত্তিক ঘটনা হৈ পৰিছে। এইক্ষেত্ৰতো আমি আমাৰ প্ৰাচীন পৰম্পৰাৰ পৰা শিক্ষা ল'ব পাৰোঁ। আমাৰ ইতিহাসৰ প্ৰাৰম্ভৰে পৰা নতুন নতুন জনগোষ্ঠীবিলাক আহি ভাৰতীয়ত্বক সাৱটি লোৱা আমি দেখিবলৈ পাওঁ, যেনে শক, কুশান, পল্লৱ আদি জনগোষ্ঠী। বিভিন্ন জনগোষ্ঠীয়ে নিজৰ লগত লৈ অহা কলা-শিল্পসমূহ সময়ত সকলোৱে গ্ৰহণ কৰা হ'ল, ভাৰতীয় হৈ পৰিল। এই প্ৰসঙ্গত বৃহৎসংহিতা নামৰ গ্ৰন্থত বৰাহমিহিৰে কোৱা কথাখিনি মনকৰিবলগীয়া :"যৱনহঁত নিশ্চয় ম্লেচ্ছ, কিন্তু এই বিজ্ঞান (জ্যোতিৰ্বিজ্ঞান) তেওঁলোকৰ সমাজত সুপ্ৰতিষ্ঠিত। সেইবাবে তেওঁলোকো আমাৰ ঋষিসকলৰ দৰে সন্মান পাবৰ যোগ্য।"

আধুনিক কালতো, একবিংশ শতিকাতো আমাৰ সমাজৰ অধিকাংশলোকে গুণাগুণৰ ভিত্তিত বিষয়ৰ বিচাৰ নকৰে, গুণগত বিচাৰ সাপেক্ষে সিদ্ধান্ত নলয়, অন্ধবিশ্বাস, গোষ্ঠীগত আনুগত্য আদিয়েহে তেনেসকলক প্ৰভাৱিত কৰি ৰাখে; সেয়ে পাৰিবাৰিক বা সামাজিক নানা অপ্ৰয়োজনীয়, অশুভংকৰ সমস্যাৰ উদ্ভৱ হয়। ভাৰতীয় ঋষিসকলে আদিৰে পৰা সমাজৰ অন্যান্য লোকসকলৰ বিশেষকৈ অনুগামী আৰু সহচৰসকলৰ মনত এক বিবেচনাশীল তথা উদাৰ দৃষ্টিভংগী জন্ম দিবৰ বাবে চেষ্টা কৰিছিল। আধুনিক ভাৰতৰ ঋষিকল্প পুৰুষ মহাত্মা গান্ধীয়ে বিশুদ্ধ বায়ু সেৱনৰ বাবে আমাৰ মনৰ দুৱাৰ খিৰিকি খুলি থবলৈ কৈছিল। মহাত্মাৰ কথাষাৰৰ তাৎপৰ্য হ'ল আমি নিজৰ মূল নেৰি, অথচ পুব-পশ্চিম নিৰপেক্ষভাৱে সকলোৰে পৰাই জানিব পৰা ভাল কথা, ধাৰণা বা আদৰ্শ গ্ৰহণ

কৰিব লাগে। গুণগত বিবেচনাৰে বস্তু বা বিষয় গ্ৰহণ কৰাকে মহাত্মা গান্ধীয়ে বিচাৰিছিল। এই মহাত্মাৰ উপদেশটি ঋগ্বেদৰ প্ৰথম মণ্ডলৰ " আ নো ভদ্ৰা ক্ৰতৱো যন্তু ৱিশ্বত:" (সকলো দিশৰ পৰা আমালৈ (আমাৰ মনলৈ) ভাল (বা মহৎ) ভাৱবোৰ আহক) এই প্ৰসিদ্ধ উক্তিৰে অনুসৰণ নহয় জানো? কোনোবাই হয়তো কব পাৰে- সমস্যাৰ বিচাৰত যুক্তিনিষ্ঠ মনোবৃত্তিৰ প্ৰয়োগ এক আধুনিক প্ৰৱণতা, কিন্তু ড: ৰাধাকৃষ্ণণে কবৰ দৰে, সমস্যা বা সংশয়ৰ বিচাৰত মনৰ এই সযুক্তিক অভিনিবেশ আমাৰ বহুকাল ধৰি চলি অহা পৰম্পৰা। 'বুদ্ধৌ শৰণমনিচ্ছ' (বুদ্ধিৰ আশ্ৰয় লোৱাঁ, বিবেচনাত আত্মসমৰ্পণ কৰাঁ)- এয়া শাস্ত্ৰোক্তি। এই শাস্ত্ৰোক্তিয়ে সত্যৰ স্বৰূপ বুজিবলৈ আমাক সকীয়াই আহিছে। নিজৰ, সমাজৰ আৰু ৰাষ্ট্ৰৰ কল্যাণৰ হকে আমাৰ মনোবৃত্তিক যুক্তিমুখী কৰি তোলাৰ প্ৰয়োজন বৃদ্ধি পাইছে। প্ৰাচীন ভাৰতৰ যুক্তিবাদী পুৰুষসকলৰ অগ্ৰগণ্যৰূপে ভগৱান বুদ্ধলৈ আঙুলিয়াব পাৰোঁ। বুদ্ধই নিজৰ 'চত্বাৰি আৰ্যসত্যানি' (চাৰি আৰ্যসত্য)ত কাৰ্যকাৰণবাদৰ স্বকীয় জ্ঞান প্ৰকাশ কৰিছে। (কাৰণ (cause) থাকিলেহে কাৰ্য (effect) হব পাৰে, কাৰ্য থাকিলে তাৰ কাৰণ থাকিবই লাগিব - সেয়ে কাৰ্যকাৰণবাদ)। সেয়ে বুদ্ধই আমাক শিকাই গ'ল - "সংসাৰত যিহেতু দু:খ আছে, দু:খৰ কাৰণো নিশ্চয় আছে; দু:খৰ কাৰণক দূৰ কৰিব পাৰিলে কাৰ্যৰূপ দু:খো আতৰি যাব।"

আমাৰ দেশখনত বিভিন্ন সময়ত বিভিন্ন স্থানত হোৱা অনেক ঘটনাই বা পৰিস্থিতিয়ে আমাক এটা ধাৰণা পোষণ কৰিবলৈ বাধ্য কৰিছে, সেয়া হৈছে, আমাৰ নাগৰিকসকলৰ প্ৰকৃত দেশপ্ৰেমৰ অভাৱ, ফলস্বৰূপে দেশখনৰ প্ৰতি থাকিবলগীয়া দায়িত্ববোধৰ অভাৱ। সহজেই ধৰিব পৰা হয়, দেশপ্ৰেম হৈ পৰিছে প্ৰচ্ছন্ন আত্মোন্নতিবাদ। কিন্তু এই দেশ ভাৰতবৰ্ষৰ দেশৰ কাৰণে কৰা সীমাহীন আত্মোৎসৰ্গৰ কাহিনীসমূহত দেশপ্ৰেমৰ মহান ঐতিহ্য নিহিত আছে, ধন, জন,



জীৱন দান দি সৰ্বস্বান্ত হোৱাৰ কাহিনীসমূহত প্ৰতিফলিত হৈ এক যথাৰ্থ দেশপ্ৰেমৰ পৰম্পৰা ভাৰত জুৰি বিৰাজ কৰিছে। সেই পৰম্পৰা অক্ষুণ্ণ ৰখাটো আমাৰ পবিত্ৰ কৰ্ত্তব্য। এই প্ৰসঙ্গত আমি ঋগ্বেদৰ এফাকি প্ৰাসঙ্গিক উক্তি সোঁৱৰিব পাৰোঁ, 'ৰাষ্ট্ৰে জাগৃয়াম ৱয়ম্'- এই উক্তিত ৰাষ্ট্ৰৰ কল্যাণৰ প্ৰতি নিজকে দায়বদ্ধ বুলি ঘোষণা কৰি পুৰোহিতসকলে ৰাষ্ট্ৰৰ প্ৰতি প্ৰতিক্ষণে সজাগ হৈ থকা নিজৰ চিত্তবৃত্তিকে সদৰী কৰিছে - "আমি আমাৰ ৰাষ্ট্ৰৰ প্ৰতি প্ৰতিমুহূৰ্ত্ততে সজাগ।" মহাকাব্য ৰামায়ণৰ কোনো এক সংস্কৰণত থকা বুলি প্ৰসিদ্ধ এক উক্তি "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী" সমগ্ৰ ভাৰততে মুখে মুখে চলি আহিছে। লঙ্কা জিনি ৰাম ঘৰলৈ ঘূৰিব খুজিছে। স্বৰ্ণপুৰী লঙ্কাৰ ঐশ্চৰ্য বিভূতি দেখি আত্মহৰা লক্ষ্মণক সেয়ে ৰামে সকীয়াই দিছে : "ইয়ং স্বৰ্ণপুৰী লঙ্কা ন ৰোচতে লক্ষ্মণ। জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী" (হে লক্ষ্মণ! এই স্বৰ্ণপুৰী লঙ্কাও মোৰ ভাল লগা নাই। মোৰ আই (কৌশল্যা) আৰু জন্মস্থান (অযোধ্যা) স্বৰ্গতকৈয়ো শ্ৰেষ্ঠ)। এই উক্তি মহান দেশপ্ৰেমৰ পৰিচায়ক। দেশপ্ৰেমৰ প্ৰাচীন ঐতিহ্যই আমাৰ নাগৰিকসকলক প্ৰেৰণা দিয়ক, সাৰ্থক দেশপ্ৰেমৰ অব্যাহত পৰম্পৰাই আমাৰ ইতিহাস সমুজ্জ্বল কৰি ৰাখক।

আমাৰ সামাজিক জীৱনত আত্মোদয়ৰ নি:সীম অভিলাষে সৰ্বোদয়ৰ প্ৰচেষ্টাক গ্ৰাস কৰা সাধাৰণতে পৰিলক্ষিত হয়। আমি পাহৰি যাওঁ যে আমি সম্প্ৰতি সামূহিক কল্যাণৰ প্ৰতি দায়বদ্ধ এক গণতান্ত্ৰিক সমাজত বাস কৰিছোহঁক। এনে সমাজ ব্যৱস্থাত আমি ব্যক্তিবাদ (individualism)ক সীমা চেৰাই যোৱাকৈ বৃদ্ধি পাবলৈ দিব নোৱাৰিম, সামাজিক মঙ্গল বিনষ্ট কৰি ব্যক্তিবাদ বিকশিত হব নালাগিব। এই ক্ষেত্ৰত মহান চিন্তানায়ক ড: ৰাধাকৃষ্ণণে কৈছে: "ঋগ্বেদৰ দিনৰে পৰা এতিয়ালৈকে এই দেশৰ আত্মাই আমাক একেলগ হ'বলৈ, উমৈহতীয়া ধাৰণা আৰু লক্ষ্য নিশ্চিত কৰি লবলৈ সকীয়াই আহিছে।" ঋগ্বেদৰ অন্তিম সুক্তত

নিহিত এই আহ্বান সমগ্ৰ মানৱজাতিৰ বাবেই বুলি লব পাৰি। সেয়া হৈছে :

সংগচ্ছধ্বম্ সংৱদধ্বম্ সংনো মনাংসি জানতাম্

সমানো মন্ত্ৰঃ সমিতিঃ সমানি সমানংমনঃ

সহ্চিত্তমেষাম্।

সমানি ৱ আকুতিঃ সমানা হৃদয়ানিঃ ৱঃ

সমানমস্তু ৱো মনো যথা ৱঃ সুসহাস্তি।

(ঋগ্বেদ ১০-৯২)।

(একেলগ হোৱাঁহঁক, একেলগে কথা পাতাঁ, তোমালোকৰ মনবিলাকে একেধৰণে ধাৰণা কৰক (বা বুজক);

তোমালোকৰ কাৰ্য একে হওক, সাফল্য একে হওক, তোমালোকৰ ভাব আৰু অভিপ্ৰায় একে হওক,

তোমালোকৰ মনৰ কামনা একে হওক, যাতে তোমালোকৰ মাজত ঐক্য বিৰাজ কৰে)।

কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে- ঋগ্বেদৰ এই আহবান ধৰ্মনিৰপেক্ষ আৰু বিশ্বজনীন। ঋগ্বেদৰ এই আহবান সাৰ্বকালিক আৰু সাৰ্বস্থানিক ভাবে যে প্ৰযোজ্য - সেই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে ।

আমাৰ মানৱ সভ্যতা সংকটাপন্ন হৈছে বিভিন্ন মানৱ গোষ্ঠীৰ মাজত বৃদ্ধি পোৱা ভেদভাৱৰ বাবে। এই ক্ষেত্ৰত আমি ভাৰতীয় ঐতিহ্যৰ শিক্ষা গ্ৰহণ কৰিব পাৰোঁ; এই সন্দৰ্ভত আমি ভাৰতৰ অমূল্য বৌদ্ধিক তথা দাৰ্শনিক সম্পদ উপনিষদ সমূহলৈ দৃষ্টি দিব পাৰোঁ। চাৰি বেদৰ পৰা সংগ্ৰহ কৰা চাৰি মহাকাব্য বুলি জনাজাত চাৰিটি মহৎ উক্তিৰ ভিত্তিত বেলেগ বেলেগ ভাষিক উপস্থাপনেৰে বিভিন্ন উপনিষদে এক পৰম সত্য প্ৰতিপাদন কৰিছে। সেয়া হৈছে - মানৱ আত্মা (জীৱাত্মা)ৰ আৰু স্বৰ্গীয় আত্মা (পৰমাত্মা)ৰ মাজত অভেদ ভাৱ বা একীভাৱ, আৰু সৰ্বত্ৰ স্বৰ্গীয় বা দৈৱ সত্তাৰ স্থিতি বা ব্যাপকতা। এই উপনিষদীয় সত্যৰ উপলব্ধি ঘটা বাবেই স্বামী বিবেকানন্দই চিকাগোত অনুষ্ঠিত বিশ্ব ধৰ্ম সন্মিলনত ভিন ভিন ধৰ্মৰ প্ৰতিনিধি সকলক 'ভাতৃ আৰু ভগ্নী' বুলি সম্বোধন কৰি সকলোকে স্তম্ভিত আৰু অনুপ্ৰাণিত কৰিব পাৰিছিল। এই উপনিষদীয় সিদ্ধান্তৰ ভিত্তিতে বিশ্বধৰ্মৰ ধাৰণা সম্ভৱ আৰু এই বিশ্বধৰ্ম বিশ্বভাতৃত্বৰেই নামান্তৰ, যথাৰ্থতে এয়ে মানৱতা। মতৰ বৈভিন্ন্য আৰু অন্যান্য বৈসাদৃশ্যৰ মাজতো সম্ভৱপৰ একতা আৰু সমন্বয়ৰ ভিত্তিত এক বিশ্ব সম্প্ৰদায় গঢ় লৈ উঠিলেহে বিশ্ব নিৰাপত্তা আৰু কল্যাণ সম্ভৱ হৈ উঠিব। এই ক্ষেত্ৰত উপনিষদীয় উপলব্ধিৰে মানৱ সমাজ অনুপ্ৰাণিত হোৱাৰ প্ৰয়োজন অনস্বীকাৰ্য। আন্তৰ্জাতিক বিবাদ উপশম কৰাৰ বাবেও, প্ৰতিদিনে বাঢ়ি অহা ভৱিষ্যতৰ আণৱিক বিপৰ্যয়ৰ পৰা হাত সাৰিবৰ বাবেও ড: ৰাধাকৃষ্ণণে উপনিষদৰ আধ্যাত্মিক বাণী আৰু পৰৱৰ্ত্তী কালৰ উপনিষদ ভিত্তিক ভাৰতীয় চিন্তাধাৰাৰ আশ্ৰয় লবৰ বাবে মানৱ সমাজক আহবান জনাইছে।

মানৱধৰ্ম তথা বিশ্বধৰ্মৰ সন্দৰ্ভত আমি প্ৰসিদ্ধ শাস্ত্ৰ গীতা (সম্পূৰ্ণ নাম-শ্ৰীমদ্ভাৱদ্গীতোপনিষদ)ৰ শিক্ষা লবলগীয়া আছে। প্ৰকৃততে গীতা এখন মানৱধৰ্ম প্ৰতিপাদক গ্ৰন্থ। গীতাই মানৱ মাত্ৰকে জীৱন যুদ্ধত অংশ গ্ৰহণ কৰিবলৈ বাট দেখুৱায়। আমাক সৃষ্টি কৰাৰ উদ্দেশ্যই হৈছে মানৱ আত্মাৰ উন্নয়নৰ বাবে সাধনা অব্যাহত ৰখা, গীতাই এই উন্নয়নৰ বাবে আত্মাক এক বিজ্ঞানসন্মত মাৰ্গ প্ৰদৰ্শন কৰিছে। গীতাৰ মতে জ্ঞানতকৈ পবিত্ৰ আৰু একো নাই, এই জ্ঞানক কৰ্মৰ সৈতে সমন্বিত (Coordinated)

কৰিব পাৰি। গীতাই যেনেদৰে " ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে " - জ্ঞানতকৈ এই সংসাৰত পবিত্ৰ একো নাই বুলি জ্ঞানক উচ্চতম মৰ্যাদা দিছে, 'নিয়তং কুৰুকৰ্মানি', অবিৰতভাবে কাম কৰি যোৱাঁ, 'মা তে সঙ্গঁস্ত্বকৰ্মনি', অকৰ্ম অৰ্থাৎ কৰ্মহীনতাত মজিজ্বত নহবাঁ বুলি সকীয়াই কৰ্মৰ গুৰুত্ব প্ৰতিপাদন কৰিছে।

গীতাই যোগলৈ আঙুলিয়াইছে; যোগ হ'ল কৰ্মসিদ্ধিৰ কৌশল। যোগাভ্যাসে মানসিক সাম্যাৱস্থা (ৎজ্ৰঞ্জন্সয়্ক্ষুক্ৰঞ্জত্ৰ) আনি সৰ্বপ্ৰকাৰৰ বিকাশ ঘটায়। গীতাৰ নিষ্কাম কৰ্ম (ফল বাঞ্ছা নকৰি কৰা কাৰ্য্যৰ শিক্ষা সকলো ক্ষেত্ৰৰ লোকেই, বিশেষকৈ সামাজিক, ৰাজনৈতিক দায়িত্বত থকা ব্যক্তিসকলে গ্ৰহণ কৰিব পাৰে। ছাৰ চাৰ্লচ উইলকিনছে কৰা গীতাৰ সৰ্বপ্ৰথম ইংৰাজী অনুবাদৰ আগকথাত ওৱাৰেন হেষ্টিংছ মহোদয়ে লিখিছিল, "যেতিয়া বৃটিছ সাম্ৰাজ্য পাহৰণিৰ গৰ্ভত বিলীন হ'ব, যেতিয়া এই সাম্ৰাজ্যৰ সমৃদ্ধি আৰু সম্পত্তিৰ উৎসক মনত পেলোৱা নহ'ব, (তেতিয়াও) এই শাস্ত্ৰখন আৰু ইয়াত থকা শিক্ষাখিনিয়ে এই পৃথিৱীৰ লক্ষ লক্ষ লোকক অনুপ্ৰেৰণা দি থাকিব। সমগ্ৰ বিশ্বতে সন্মান দাবী কৰিব পৰা এই মহান বিশ্বজনীন শাস্ত্ৰখনে পৰিবৰ্ত্তিত পৰিস্থিতিৰ এই আধুনিক পৃথিৱীৰ বিভিন্ন সমস্যাৰ সমাধানত আমাক দিক্ দৰ্শন কৰিব পাৰে।"

গীতাৰ দৰে ভাগৱত (শ্ৰীমদ্ভাগৱত) নামৰ বিষ্ণু-কৃষ্ণতত্বপৰ মহাপুৰাণখনো মহান ভাৰতীয় ঐতিহ্যৰ বাহক, ওঠৰখন মহাপুৰাণৰ ভিতৰত এক বিশিষ্ট স্থান অধিকাৰ কৰা, পুৰান সূৰ্য্য বুলি অভিহিত এই ভাগৱতত আৰু লগতে গীতাত প্ৰতিপাদন কৰা ভক্তিবাদৰ ভিত্তিত মধ্যযুগীয় ভাৰতত বিভিন্ন প্ৰান্তত সামাজিক সংস্কাৰ সম্ভৱ হৈছিল। ভক্তিতত্বত মানৱীয় সমতাৰ ধাৰণা নিহিত থাকে । এই ধাৰণা আমাৰ সাম্প্ৰতিক সমাজ-গাঠনিবিলাকৰ বাবে এতিয়াও অতি প্ৰাসঙ্গিক ভাবে গুৰুত্বপূৰ্ণ।

মানৱীয় সমতাৰ ধাৰণাৰ সন্দৰ্ভত মহাপুৰাণসমূহৰ অন্যতম বিষ্ণু পুৰাণেও আমাক এক মহৎ নিৰ্দেশনা দি গৈছে। বিষ্ণু পুৰাণ আৰু অন্যত্ৰও উপলভ্য হোৱা এই প্ৰাসঙ্গিক উক্তিটো হৈছে:

অয়ং নিজো পৰো ৱেতি গণনা লঘুচেতসাম্।
উদাৰচৰিতানান্তু ৱসুধৈৱ কুটুম্বকম্॥



('এইটো মোৰ, এইটো আনৰ' এয়া লঘুচিত্তৰ (পাতল মনৰ) মানুহৰ চিন্তা। উদাৰচিত্তৰ ব্যক্তিৰ বাবে গোটেই পৃথিৱীখনেই নিজৰ পৰিয়াল।)

গোটেই পৃথিৱীখনকে নিজৰ পৰিয়াল হিচাপে লোৱা প্ৰাচীন ভাৰতৰ এই ধাৰণাই সমগ্ৰ বিশ্বজুৰি জ্ঞানীসকলৰ মনোযোগ আৰু প্ৰশংসা লাভ কৰিছে। এই আদৰ্শ গ্ৰহণ কৰিলে আমি নিশ্চয় আমাৰ জীৱনত শান্তি আৰু বন্ধুত্বৰ সুখ লাভ কৰিবলৈ সমৰ্থ হমহঁক। এই আদৰ্শ ব্যক্তিগত আৰু সামাজিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়, জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰি উপকৃত হব পাৰোঁহঁক।

আধুনিক ভাৰতে নাগৰিকসকলৰ মাজত থকা ধৰ্মীয় অসহিষ্ণুতাৰ বাবে মাজে মাজে বাৰুকৈয়ে ভোগে। এই বাবেই গান্ধীজীয়ে আমাক গাবলৈ শিকাইছিল-

ইশ্বৰ আল্লা তেৰে নাম।
মন্দিৰ মছজিদ তেৰে ধাম॥

এই সন্দৰ্ভত ড০ ৰাধাকৃষ্ণণে মন্তব্য কৰিছে, " এয়া হৈছে ধৰ্মৰ পৰম সত্যসমূহৰ, ধৰ্মৰ মূলভেটিৰ
পুণৰাবৃত্তি মাথোন, যিখিনি আমাৰ পুৰ্বপুৰুষসকলে আমাক দি গৈছে, যি সত্যৰাশি মানুহৰ জীৱনৰ প্ৰতিটো খোজতে প্ৰাসঙ্গিকভাৱে প্ৰযোজ্য।" এইখিনিতে আমি বহু দেৱ দেৱীৰ পূজাৰ প্ৰসঙ্গত ঋগ্বেদৰ প্ৰসিদ্ধ উক্তিটি সোঁৱৰিব পাৰোঁ- 'একং সৎ ৱিপ্ৰা বহুধা ৱদন্তি' (প্ৰকৃততে থকা (শক্তি বা তত্ত্ব) এক (মাথোন)। বিপ্ৰসকলে (তাকেই) বহুত নামেৰে মাতে)। এয়াই আমাৰ ঐতিহ্য। এই পৰম সত্যৰ উপলব্ধিয়ে আমাৰ দেশত মাজে মাজে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰা সামাজিক তথা ধৰ্মীয় সংঘৰ্ষ আৰু ভুল বুজাবুজিৰ উপশম ঘটোৱাত আমাক নিশ্চয় সহায় কৰিব পাৰে। ধৰ্মীয় ঐতিহ্যকো আমি শুদ্ধভাবে বুজি উঠিব লাগিব, তেহে নিজৰ আৰু দহৰ কল্যাণত আমাৰ ধৰ্মীয় চেতনা কামত আহিব। বেদান্ত সূত্ৰৰ ভাষ্যকাৰ আদি শঙ্কৰাচাৰ্যই দিয়া ব্যাখ্যামতে "ধৰ্ম কোনো এক মতবাদৰ নিৰ্বিচাৰ অনুসৰণ নহয়, আকৌ ই

আনুষ্ঠানিক অনুকম্পা প্ৰদৰ্শনো নহয়। ই আকৌ আমাৰ বাবে বিধান কৰি থোৱা ক্ৰিয়া-প্ৰক্ৰিয়া (rituals) মাত্ৰ কেৱল পালন (বা অনুষ্ঠান)ও নহয়। ই হৈছে তোমাৰ আত্মাৰ পুনৰ্নিৰ্মাণ, তোমাৰ প্ৰকৃতিৰ সংস্কাৰ।" শঙ্কৰৰ পদাঙ্ককে অনুগমন কৰি ৰামকৃষ্ণ আৰু বিবেকানন্দয়ো ধৰ্মক কোনো সাম্প্ৰদায়িক (sactarian) বা অন্ধমতবাদসাপেক্ষ (dogmatic) অৰ্থত গ্ৰহণ কৰা নাছিল, একেসময়তে তেওঁলোকে আমাক এক প্ৰকৃত আধ্যাত্মিক জীৱনৰ নীতি দি গৈছে, লগতে(সেই নীতিৰ ভিত্তিতে) এক বিশ্বধৰ্মত বিশ্বাসৰ বাবে আহ্বান জনাই গৈছে। এই বিশ্বধৰ্মত বিশ্বাসৰ অগ্ৰদূত হ'ব পৰমাত্মাৰ সৈতে সংযোগবিশিষ্ট এক আধ্যাত্মিক শৃংখলা, এনেহেন ধৰ্মই স্বাভাৱিকতেই আমাৰ দৃষ্টিভঙ্গীক বিশ্বতোমুখী কৰি তুলিব, আৰু সেই দৃষ্টিভঙ্গীয়েই মানৱজাতিৰ সেৱাত প্ৰকাশ লাভ কৰিব ।

আমাৰ মহান ঐতিহ্যক ধৰি ৰাখিছে উপনিষদকে ধৰি কেৱল বেদসমূহেই নহয়, বৈদিকোত্তৰ যোগৰ সংস্কৃত, পালি আৰু প্ৰাকৃত ভাষাত লিপিবদ্ধ অনেক মহৎ ৰচনাই। বৈদিকোত্তৰ কালৰ বিস্তৃত সাহিত্যৰাশিত নিহিত থকা অনেক শিকনি বহুতো আধুনিক প্ৰসঙ্গত আমাৰ পথৰ পাথেয় হব পাৰে। আমি উল্লেখ কৰি অহা দুই বৃহৎ মহাকাব্য ৰামায়ণ আৰু মহাভাৰত, গীতা, বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ আদি গ্ৰন্থসমূহে মানুহৰ মনক উন্নীত কৰিব পৰা শক্তি থকা, মানুহক এক কৰি ৰাখিব পৰা, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক ভাৱে উচ্চতৰ স্তৰলৈ যোৱাত মানুহৰ সহায়ক হ'ব পৰা মহান ভাৰতীয় ঐতিহ্যক বহন কৰি আহিছে। এই শাস্ত্ৰবিলাকৰ বাবে, পৰৱৰ্ত্তীকালত হোৱা কলা আৰু সাহিত্যৰ মহৎ সৃষ্টিৰ বাবে, দৰ্শন সম্প্ৰদায়সমূহৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ বাবে, ভৌগোলিক জলবায়ুসংক্ৰান্ত, জাতিগত, ধৰ্মগত আৰু ভাষিক বৈসাদৃশ্যবিলাকৰ মাজতো ভাৰত এক মৌলিক সাংস্কৃতিক ঐক্যৰ অধিকাৰী হ'ল।

ভাৰতীয় ঐতিহ্যক এই ৰূপত গঢ়ি তোলাত ভাৰতীয় দাৰ্শনিক



সম্প্ৰদায় সমূহৰ যথেষ্ট অৱদান আছে। দৰ্শন সম্প্ৰদায়সমূহক দুভাগত ভাগ কৰা হৈছে- আস্তিক আৰু নাস্তিক। বেদৰ প্ৰামাণ্য (authority) মানি লোৱা 'আস্তিক' (orthodox) সম্প্ৰদায় ছটা, মীমাংসা, বেদান্ত, সাংখ্য, যোগ, ন্যায়,আৰু বৈশেষিক। বেদৰ প্ৰামাণ্যক অস্বীকাৰ কৰা নাস্তিক (non-orthodox) সম্প্ৰদায় তিনিটা, বৌদ্ধ, জৈন আৰু চাৰ্বাক (প্ৰাচীনভাৰতৰ বস্তুনিষ্ঠ ধাৰণাসমূহ)। দৃষ্টিভঙ্গী আৰু সিদ্ধান্তত বিভিন্নতা থাকিলেও এই দৰ্শন সম্প্ৰদায় সমূহে ভাৰতীয় প্ৰমূল্যসমূহৰ ঐতিহ্যক দৃঢ় কৰি গৈছে। (এই বিষয়ত অৱশ্যে চাৰ্বাক দৰ্শনৰ অৱদান সীমিত)।

সৃষ্টিশীল আৰু বৌদ্ধিক সাহিত্য কৰ্মসমূহেও ভাৰতীয় ঐতিহ্যক অধিক সমৃদ্ধ কৰি গৈছে। ৰঘুবংশ আৰু মেঘদূতৰ প্ৰণেতা মহাকবি কালিদাস, ভাৰবি, মাঘ আৰু শ্ৰীহৰ্ষৰ কাব্যসমূহ, কালিদাস, ভৱভূতি, শূদ্ৰক আদি সফল নাট্যকাৰসকলৰ শকুন্তলা, উত্তৰ ৰামচৰিত, মৃচ্ছকটিক আদি ৰূপকসমূহ, যশস্বী গদ্যকাৰসকলৰ কাদম্বৰী, হৰ্ষচৰিত আদি গদ্যকাব্যসমূহ, শিলালিপি, তাম্ৰলিপি আদি প্ৰশস্তিমূলক কাব্যৰচনাসমূহ, মুনি ভৰতৰ নাট্যশাস্ত্ৰ, বাৎসায়নৰ কামশাস্ত্ৰ, কৌটিল্যৰ অৰ্থশাস্ত্ৰ ই ভাৰতীয় সভ্যতাক বৈশিষ্ট্য দান কৰিছে ।

ভাৰতীয় ঐতিহ্যই বিচাৰে সাংসাৰিক ধৰ্ম পালনৰ আদিম সম্বল ৰূপে প্ৰতিজনৰ স্বাস্থ্যসম্পদ। স্বাস্থ্য মানে দেহ আৰু মনৰ সুস্থতা । এই সন্দৰ্ভত নাম লব লাগিব আধুনিক বিশ্বৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হোৱা ভাৰতৰ পাৰম্পৰিক চিকিৎসাশাস্ত্ৰ, প্ৰসিদ্ধ আৰ্য়ুবেদৰ ।


ভাৰতীয় ঐতিহ্যৰ সংবৰ্দ্ধনৰ প্ৰসঙ্গত কেইগৰাকীমান মহাপুৰুষৰ অৱদান স্বীকাৰ কৰি নগ'লে অন্যায় কৰা হব। আমি ভগৱান বুদ্ধৰ এটি বাণী সুঁৱৰিব পাৰো, যত জীৱনৰ উদ্দেশ্য ঘোষণা কৰা হৈছে : "ৱহুজনহিতায়, ৱহুজন সুখায়" (বহুতৰ /দহৰ হিতৰ বাবে ,বহুতৰ/দহৰ সুখৰ বাবে)। পৃথিৱীত অনেক দেশৰ লোকেই বুদ্ধৰ প্ৰতি সশ্ৰদ্ধ অনুগত্য প্ৰকাশ কৰে। বুদ্ধই আমাক কৈ গৈছে যে

আমি যদি দু:খৰ পৰা মুক্তি বিচাৰো, তাৰ বাবে আমাৰ বোধশক্তি বিকশিত কৰিব লাগিব, আমাৰ অনুকম্পাবোধ বৃদ্ধি কৰিব লাগিব (সেয়া প্ৰজ্ঞা আৰু কৰুণাৰে প্ৰসঙ্গ)। বুদ্ধৰ অভিমত, প্ৰজ্ঞা কৰুণাতে প্ৰতিফলিত হয়। এই কৰুণা সমগ্ৰ মানৱ জাতিৰ বাবে। আদি শঙ্কৰাচাৰ্যই উপনিষদসমূহ, ভগৱৎগীতা আদিৰ শিক্ষাখিনিক পুনৰ্ব্যাখ্যা কৰিলে। দৰাচলতে সময়ৰ পৰিবৰ্ত্তনৰ লগত খাপখোৱাকৈ মহান ঐতিহ্যৰ নতুন ব্যাখ্যা দিলে। শঙ্কৰাচাৰ্যৰ ৰচনাসমূহ আমাৰ বাবে মৰ্মস্পৰ্শী। মহাত্মা গান্ধী আধুনিক ভাৰততো ঐতিহ্যৰ এক উত্তম সৃষ্টি। তেওঁৰ প্ৰতিটো শিকনিতে ঐতিহ্যৰ প্ৰতিফলন। তেওঁৰ লিখনিসমূহৰ প্ৰাসঙ্গিকতাও অস্বীকাৰ কৰিব নোৱাৰি। গান্ধীজীৰ লিখনিত পৰম্পৰাগতভাৱে অহা কিছুমান মৌলিক সত্যৰ আমি প্ৰতিধ্বনি শুনোঁ। সত্য, অহিংসা, প্ৰেম, ত্যাগ, সেৱা- গান্ধীজীয়ে শিকাব খোজা এই প্ৰত্যেকটো শাস্ত্ৰৰ দ্বাৰা অনুমোদিত, প্ৰত্যেকটোৱেই প্ৰাচীন ভাৰতীয় অনুশাসন, উদাহৰণস্বৰূপে, গান্ধীজীয়ে অধিক গুৰুত্ব দিয়া সত্য বেদতে প্ৰতিপাদিত হৈছে, মুণ্ডক উপনিষদে ঘোষণা কৰি গৈছে : "সত্যমেৱ জয়তে, নানৃতম্" ( সত্যইহে জয় লাভ কৰে, অসত্য (মিছা)ই নহয়)। সত্যৰ বাস্তৱিক প্ৰয়োগেই অহিংসা। সত্য আৰু অহিংসা একেটা মুদ্ৰাৰ দুটা পিঠি মাথোন। ভাৰতৰ এগৰাকী প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীৰ মুখত এষাৰ কথা প্ৰচাৰ কৰা হয়, "শিক্ষাৰ এক মুক্তিদায়িক শক্তি আছে" (Education has a liberating force)। এই উক্তিৰো মূল বৈদিক সাহিত্যতে। মুণ্ডক উপনিষদে ঘোষণা কৰিছিল: "সা ৱিদ্যা যা ৱিমুক্তয়ে" (সেয়াহে বিদ্যা যি মুক্তিদান কৰিব পাৰে)। আমাৰ দেশৰ বিভিন্ন ক্ষেত্ৰত বিৰাজ কৰা সামাজিক, ৰাজনৈতিক, আৰ্থিক আদি বিভিন্ন দিশত চকুত পৰা বৈষম্যসমূহ দুৰ কৰিবৰ বাবে আমি ভাৰতীয় শিক্ষাক এনেদৰে পুনৰ গঢ় দিব লাগিব যাতে ই এক মুক্তিৰ আহিলা বা মাধ্যমৰ ৰূপ লয়।

"ভাৰতীয় ঐতিহ্যৰ প্ৰতি আমাৰ আধুনিক ভাৰতীয় সকলৰ দৃষ্টিভঙ্গী



কেনে হব লাগে?"- এই সন্দৰ্ভত ড০ ৰাধাকৃষ্ণণৰ মন্তব্য প্ৰণিধানযোগ্য : "ময়ো এজন আধুনিকতাবাদী ব্যক্তি, কিন্তু মই বিশ্বাস কৰো যে আধুনিকতাবাদত আমাৰ প্ৰাচীন ঐতিহ্যৰ যিখিনি মূল্যৱান, সেইখিনি সংৰক্ষণ কৰা আৰু মূল্যহীনখিনি পৰিত্যাগ কৰা, এই দুয়োটা (কথা) সামৰি লব লাগিব। পৰম্পৰাগতভাৱে আমি পোৱা, আমাৰ সংস্কৃতি বা দেশৰ গৌৰৱ জন্মোৱা কিমানবোৰ যে বস্তু (কথা বা বিষয়) আছে; আকৌ আন বহুতো আছে যিবিলাক প্ৰাণৱন্ত উপাদান, যিবিলাকে আমাৰ দেশক ধৰি ৰাখিছে।" আমাৰ ঐতিহ্য বহন কৰি অনা প্ৰাচীন ভাৰতীয় ৰচনাসমূহ আৰু অলিখিত বিশ্বাসসমূহৰ ক্ষেত্ৰতো প্ৰতিক্ৰিয়া কৰোতে আমাৰ ব্যৱহাৰ এনে ধৰণৰ হ'ব লাগে। ড: ৰাধাকৃষ্ণণেই নহয়, বাৰ্টাণ্ড ৰাছেলৰ দৰে বৌদ্ধদৰ্শনৰ প্ৰতি আকৃষ্ট হোৱা বিশ্বৰ বহুতো বৰেণ্য পুৰুষ আছে, কাৰণ বুদ্ধৰ বাণীসমূহ গভীৰভাৱে যুক্তিনিষ্ঠ (যদিও পৰিশেষত আধ্যাত্মিক) বুদ্ধই নিজেই সন্দেহ আৰু নিৰাশাৰে আৰম্ভ কৰিছিল। কোনোদিনেই নিৰাশ নোহোৱা মানুহ জীৱন্ত হ'ব নোৱাৰে। (অৱশ্যে সন্দেহ সিদ্ধান্তত, আকৌ নিৰাশা আশাত পৰ্য্যৱসিত হ'ব লাগিব)। আমি বিশ্বাস কৰিব লাগিব, সন্দেহৰ অনুসন্ধানে আমাক সত্যদৰ্শন কৰোৱায়। ঐতিহ্যৰ ক্ষেত্ৰতো আমাৰ ব্যৱহাৰ এয়ে হ'ব লাগিব। নি:সন্দেহ, ভাৰতৰ মহান ঐতিহ্য আমাৰ সময়ত বহুতো বিষয়ত অধিক প্ৰাসঙ্গিক হৈ পৰিছে।



*DR. JOGIRAJ BASU MEMORIAL LECTURE*

*11th Session*

*10th December, 2003*

*Topic:*

# Ancient Indian Tradition: Contemporary Relevance

**Speaker:**
**Dr. Ashok Kumar Goswami**

**Venue: Gallary III, DHSK College**

**Organised by:**
**Assam College Teachers' Association**
**DHSK College Unit**
**Dibrugarh**